# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-08-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসম ৰাজভৱনৰ ব্ৰহ্মপুত্ৰ শাখা উদ্বোধন কৰি দিয়া ভাষণত কয়, যে বিশ্বৰ ভিতৰতে পুৰাতন, পূৰ্বোত্তৰৰ সংস্কৃতি বিচিত্ৰতাৰে ভৰপুৰ। মহাৰাজ পৃথুৰ পৰা আৰম্ভ কৰি লাচিত বৰফুকনলৈকে, বীৰ চিলাৰায়ৰ পৰা আৰম্ভ কৰি সেনা বাহিনীত যোগ দিয়া জোৱানলৈকে দেশমাতৃৰ হকে প্ৰাণ আহুতি দিয়া উত্তৰ-পূবৰ বীৰ পুৰুষসকলৰ ত্যাগে দেশৰ সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী গৰাকীয়ে ইয়াৰ পাছত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ অনুষ্ঠানত অংশ লৈ প্ৰয়াত মুখ্যমন্ত্ৰীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পৱিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী জয়ন্ত কুমাৰ দাস আৰু অতুল বৰাকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত অগ্ৰণী নেতৃত্বৰে ৰাষ্ট্ৰৰ হকে সেৱা আগবঢ়োৱা প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ কৰ্মৰাজীক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়।

ooooo

নগাওঁ কেন্দ্ৰীয় কাৰাগাৰত আজি জিলা আয়ুক্ত দেৱাশীষ শৰ্মা আৰু আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকাই আকস্মিকভাৱে পৰিদৰ্শন কৰে। এই পৰিদৰ্শনকালত কাৰাগাৰখনত কেতবোৰ দূৰ্নীতি-অনিয়ম চলাৰ লগতে ড্ৰাগছৰ ব্যৱসায় চলি থকাৰ ঘটনা উন্মোচিত হয়। কাৰাগাৰখনত অবৈধ ড্ৰাগছ, গাঞ্জাসহ বহু আপত্তিজনক সামগ্ৰী জব্দ কৰা হয়। লগতে কাৰাগাৰৰ ভিতৰত এখন বিলাসী ৰেষ্টুৰেণ্ট চলি থকাৰ কথাও পোহৰলৈ আহে আৰু সেই ৰেষ্টুৰেণ্টত শীতল পানীয় বিক্ৰী কৰি থকা অৱস্থাত হাতে-লোটে ধৰা পৰে। এই অনিময়ৰ ঘটনা পোহৰলৈ অহাৰ লগে লগে নগাওঁ কেন্দ্ৰীয় কাৰাগাৰৰ অধীক্ষক আৰু জেইলাৰগৰাকীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ বাবে কাৰাগাৰ বিভাগৰ মহা পৰিদৰ্শক আৰু গৃহ বিভাগলৈ জিলা আয়ুক্তই পত্ৰ প্ৰেৰণ কৰে।

ooooo

ডিব্ৰুগড় জিলাৰ চৌকিদিঙিৰ অসম চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় কাৰ্যালয়ত আজি সভাপতি তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পৱন সিং ঘাটোৱাৰৰ নেতৃত্বত কেশৰ প্লেণ্টেচন প্ৰাইভেট লিমিটেডৰ অন্তৰ্গত চাহ বাগিচাসমূহৰ মাজত এখন চুক্তি সম্পাদিত হয়। এই চুক্তি অনুসৰি জামিৰা, নীলমণি, অজিজবাগ আৰু জুকতলী চাহ বাগিচাৰ শ্ৰমিকসকলক সমাগত দুৰ্গা পূজাৰ পূৰ্বে ২০ শতাংশ বোনাচ প্ৰদান কৰা হ'ব। চাহ বাগিচাৰ মালিক পক্ষ আৰু অসম চাহ-মজদুৰ সংঘৰ মাজত স্বাক্ষৰিত এই চুক্তিক লৈ চাহ শ্ৰমিকসকলে আনন্দ প্ৰকাশ কৰিছে।

ooooo

শ্ৰীভূমিৰ যুটীয়া স্বাস্থ্য সঞ্চালকৰ অধ্যক্ষতাত আজি অত্যাৱশ্যকীয় ঔষধ তালিকা সম্পৰ্কে এখন বৈঠক অনুষ্ঠিত হয়। সভাত জিলাখনৰ সকলো চৰকাৰী চিকিৎসালয় আৰু স্বাস্থ্য কেন্দ্ৰত অত্যাৱশ্যকীয় ঔষধ মজুত কৰি সহজে উপলব্ধ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। সভাত চিকিৎসকে অত্যাৱশ্যকীয় ঔষধ তালিকা

অনুসৰি ঔষধ ৰোগীৰ বাবে লিখিব লাগিব যাতে ৰোগীয়ে অতিৰিক্ত খৰছ্ বহন কৰিব নালাগে। সভাত প্ৰতিখন চিকিৎসালয়তে অত্যাৱশ্যকীয় ঔষধ তালিকাখন স্পষ্ট স্থানত ৰাখিবলৈ সিদ্ধান্ত লোৱা হৈছে।

০০০০০

অসম কৃষি বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষা সঞ্চালকালয়ৰ উদ্যোগত **তথ্যৰ পৰা খচৰালৈ ঃ শক্তিশালী পাণ্ডুলিপি লিখন আয়ত্ত** কৰা সন্দৰ্ভত এখন দুদিনীয়া কৰ্মশালা অনুষ্ঠিত হৈছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডং বিদ্যুৎ চন্দন ডেকাই এই কৰ্মশালাখন উদ্বোধন কৰে। স্নাতকোত্তৰ পৰ্যায়ৰ ১২০ গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাত অংশ লৈ বিশ্ববিদ্যালয়খনৰ স্নাতকোত্তৰ শিক্ষা সঞ্চালক ডং অনুপ কুমাৰ দাসে উন্নত পাণ্ডুলিপি লিখন আৰু প্ৰকাশনৰ প্ৰয়োজনীয়তা সন্দৰ্ভত বক্তব্য আগবঢ়ায়। কৰ্মশালাত গৱেষণা পত্ৰ লিখাৰ দক্ষতা গঢ়ি তোলা, ভাৰতীয় আলোচনীৰ বিষয়ে সজাগতা, উন্নত গৱেষণা পদ্ধতিৰ প্ৰয়োগ আদি সন্দৰ্ভত বিশেষজ্ঞসকলে বক্তব্য আগবঢ়ায়।

০০০০০

নগাওঁ জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত আৰু নগাওঁ বিশ্ববিদ্যালয়ৰ সহযোগত আজি এখন **চাইবাৰ আইন, চাইবাৰ অপৰাধ নিৰ্মূল আৰু ডিজিটেল সুৰক্ষা** শীৰ্ষক বিষয়ৰ ওপৰত সজাগতামূলক সভা অনুষ্ঠিত হয়। সভাখন পৰিচালনা কৰে নগাওঁ জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব মুনমী নেওগে। সভাত বিশিষ্ট অতিথি হিচাপে নগাওঁ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডং হীতেশ ডেকা আৰু সমল ব্যক্তি হ্চিাপে নগাওঁ জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক জয়ন্ত বৰুৱা উপস্থিত থাকে। এই সজাগতা সভাত বিশেষকৈ যুৱ সমাজ আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত চাইবাৰ সুৰক্ষা সম্পৰ্কে জ্ঞান আৰু সজাগতা সম্পৰ্কত আলোকপাত কৰা হয়।

০০০০০

অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যান সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত দেওকণ সোঁৰৰণি ১৭ বছৰ অনুৰ্ধৰ ল'ৰাৰ আন্তঃজিলা স্কুল ফুটবল প্ৰতিযোগিতাত গোলাঘাটৰ নুমলিগড় হাইস্কুলে ছেম্পিয়ন ট্ৰফী দখল কৰে। আজি অনুষ্ঠিত হোৱা ফাইনেলত নুমলিগড় হাইস্কুলে চৰাইদেউৰ বামপথাৰ বেঙেনাবাৰী এইচ এছ স্কুলত ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। এই ছেম্পিয়ন দলটোৱে নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া ১৭ বছৰ অনুৰ্ধৰ সুব্ৰত কাপ ফুটবল প্ৰতিযোগিতাত অসমক প্ৰতিনিধিত্ব কৰিব।

০০০০০

ওদালগুৰি জিলাৰ টংলা নগৰ নিৱাসী বিশিষ্ট নাগৰিক তথা টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন উপ সভাপতি জিতুল শৰ্মাৰ আজি পুৱা মঙলদৈৰ এখন ব্যক্তিগত চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৮ বছৰ। তেখেতৰ মৃত্যুত বৃহত্তৰ টংলা অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে আৰু মৃতদেহ বাসগৃহলৈ অনাৰ পিছতে বিভিন্ন দল সংগঠন আৰু গুণমুদ্ধ ৰাইজ উপস্থিত হৈ তেখেতক শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ